# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 13-01-2025
**Time :** 1800 Hrs

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - - -**

আজি ভোগালী বিহুৰ উৰুকা। পৰম্পৰাগতভাৱে চলি অহা মাঘৰ বিহুৰ উৰুকাৰ দিনা ৰাজ্যবাসীয়ে আজি নিশা সমূহীয়া ভোজ-ভাত খোৱাৰ দিহা কৰিছে। গ্ৰামাঞ্চলত মেজি আৰু ভেলাঘৰৰ তলত সমূহীয়া ভোজ-ভাতৰ প্ৰস্তুতি পুৱাতে আৰম্ভ হৈছে। গুৱাহাটীকে ধৰি ৰাজ্যখনৰ নগৰাঞ্চলৰ ৰাইজেও কংক্ৰিটৰ মজিয়াত একেলগে এসাঁজ খোৱাৰ বাবে প্ৰস্তুত হৈছে। ৰাজ্যখনৰ গ্ৰাম্যাঞ্চলৰ কেইবাখনো বিলত আজি গাঁওবাসীয়ে সমূহীয়াকৈ মাছ ধৰিছে। মাছৰ বজাৰসমূহত আজি পুৱতি নিশাৰে পৰা বিভিন্ন স্থানৰ পৰা মাছ ব্যৱসায়ীসকল উপস্থিত হোৱাৰ লগতে গ্ৰাহকৰো ভিৰ পৰিলক্ষিত হয়।

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ অন্তৰ্গত বিল, জলাশয়সমূহত আজি পুৱাৰ ভাগত ওচৰৰ গাঁওবাসীক ২ ঘণ্টাৰ বাবে মাছ ধৰিবলৈ উদ্যান কৰ্তৃপক্ষই অনুমতি দিয়ে। মাজুলীৰ বিভিন্ন অঞ্চলত আজি ৰাইজে সমূহীয়াভাৱে মাছ ধৰি আনন্দ উপভোগ কৰে। কোকৰাঝাৰ জিলাৰ বজাৰসমূহত আজি ভোগালীৰ উৰুকাৰ বাবে মাছ বিক্ৰেতা আৰু ক্ৰেতাসকলে ভিৰ কৰে বুলি আমাৰ সংবাদদাতাই জনাইছে।

মাঘ বিহু উপলক্ষে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অসমবাসীক শুভেচ্ছা জনাইছে।

মাঘ বিহুত ৰাজ্যখনৰ বিভিন্ন ঠাইত আয়োজন কৰি অহা পৰম্পৰাগত ম'হ যুঁজ আৰু হাজোৰ বুলবুলি চৰাইৰ যুঁজ উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশৰ পৰিপ্ৰেক্ষিতত এই বাৰ অনুষ্ঠিত নহয়।

উৰুকাৰ নিশা যাতে ৰাজ্যখনত সুৰাপায়ী চালকৰ দ্বাৰা কোনো ধৰণৰ দুৰ্ঘটনা সংঘটিত নহয় তাৰ বাবে পৰিবহন বিভাগে আজি আবেলিৰ পৰা বিভিন্ন স্থানত তালাচীৰ ব্যৱস্থা কৰিছে।

ৰাজ্যৰ অন্যান্য জিলাৰ লগতে ধুবুৰী জিলাত ভোগালীক আদৰাৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈছে। জিলাখনৰ বিভিন্ন প্ৰান্তত আজি উৰুকাৰ নিশা ভোজভাত খোৱাৰ বাবে ৰাইজ সাজু হৈছে। জিলাখনৰ গ্ৰামাঞ্চলৰ জীয়ৰী-বোৱাৰীসকল পিঠা-পনা প্ৰস্তুত কৰাত ব্যস্ত হৈ থকাৰ লগতে ঢেঁকীৰ শব্দই চৌদিশ ৰজনজনাই থকা বুলি আমাৰ সংবাদদাতাই জনাইছে। আজি উৰুকা উপলক্ষে জিলাখনৰ গোলকগঞ্জ, গৌৰীপুৰ, বিলাসীপাৰাকে ধৰি বিভিন্ন অঞ্চলৰ মাছৰ বজাৰত অগণন ক্ৰেতাৰ ভিৰ পৰিলক্ষিত হয়। কাইলৈ জিলাখনৰ জনসাধাৰণে বিহু উপলক্ষে পুৱাতে মেজি জ্বলাই পৰম্পৰাগত ৰীতি-নীতিৰে অগ্নিসেৱা কৰাৰ বাবে সাজু হৈছে।

০০০০০

উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত আজি শুভাৰম্ভ হোৱা মহাকুম্ভ মেলাত অসমৰ মাজুলীৰ লগতে উত্তৰ-পূবৰ কেইবাগৰাকীও পুৰোহিত আৰু সত্ৰাধিকাৰে অংশগ্ৰহণ কৰিব। মাজুলীৰ আউনীআটি, দক্ষিণপাট আৰু উত্তৰ কমলাবাৰী সত্ৰৰ ভকত-বৈষ্ণৱৰ লগতে ৰাজ্যৰ কেইবাখনো সত্ৰৰ সত্ৰাধিকাৰো এই মেলাত উপস্থিত থাকিব। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে সত্ৰাধিকাৰসকলক মেলালৈ আমন্ত্ৰণ জনোৱাৰ লগতে তেওঁলোকক বিশেষ অতিথিৰ মৰ্য্যাদা দিয়া হ'ব বুলি প্ৰকাশ কৰিছে। মাজুলীৰ সত্ৰাধিকাৰ আৰু ভকত-বৈষ্ণৱৰ দলে মেলাৰ

অংশ হিচাপে সত্ৰীয়া সংস্কৃতি প্ৰদৰ্শন কৰিব। তদুপৰি, অসমীয়া সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ নামঘৰকো এই মেলাত বিশ্বৰ বিভিন্ন প্ৰান্তৰ ভক্তৰ সন্মুখত প্ৰদৰ্শন কৰা হ'ব। এই সন্দৰ্ভত মাজুলীৰ আউনীআটি সত্ৰৰ বৈষ্ণৱ অনন্ত কলিতাই এইদৰে কয় -

**-বাইট-**

উল্লেখযোগ্য, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতীয় প্ৰমূল্য আৰু সংস্কৃতিক উদযাপন কৰা সকলৰ বাবে এই মেলাৰ শুভাৰম্ভৰ দিনটো বিশেষ দিন বুলি অভিহিত কৰে। তেওঁ কয়, যে মহাকুম্ভমেলাই দেশৰ প্ৰাচীন আধ্যাত্মিক ঐতিহ্যক প্ৰতিফলিত কৰাৰ লগতে বিশ্বাস আৰু সম্প্ৰীতিৰ ধাৰাবাহিকতাক উদযাপন কৰে। তেওঁ সকলো পৰ্যটক আৰু তীৰ্থযাত্ৰীলৈ শুভেচ্ছা জ্ঞাপন কৰি ভাৰতীয় আধ্যাত্মিক ঐতিহ্য বহনকাৰী এই বৃহৎ উৎসৱে ভক্তসকলৰ জীৱনত নতুন শক্তি আৰু উৎসাহৰ সঞ্চাৰ কৰিব বুলি আশা প্ৰকাশ কৰে। উল্লেখযোগ্য যে, চলিত বছৰত বিশ্বৰ সৰ্ববৃহৎ সাংস্কৃতিক আৰু আধ্যাত্মিক সমাৱেশ হিচাপে পৰিগণিত হ'বলগীয়া এই মেলাত ৪৫ কোটিৰো অধিক ভক্তই অংশ লোৱাৰ সম্ভাৱনা আছে। ভাৰতীয় ৰে'ল বিভাগে এই মেলাৰ বাবে ৩০০ খন বিশেষ ৰে'লকে ধৰি ১০ হাজাৰৰো অধিক ৰে'লগাড়ী চলাচল কৰোৱাৰ ব্যৱস্থা কৰিছে। এই মেলা নিয়াৰিকৈ পৰিচালনাৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ইয়াৰ অংশ হিচাপে কৃত্ৰিম বুদ্ধিমত্তাচালিত অত্যাধুনিক কেমেৰা, পানীৰ তলত সংস্থাপন কৰা ড্ৰ'ণৰ সহায়ত সকলো দিশ নিৰীক্ষণৰ ব্যৱস্থা কৰা হৈছে। ৫৬ গৰাকী চাইবাৰ কৰ্মীক লৈ এখন চাইবাৰ আৰক্ষী থানাও স্থাপন কৰা হৈছে।

০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিব্ৰুগড়ত অভ্যন্তৰীণ জলপথ প্ৰাধিকৰণৰ ডিব্ৰুগড়ৰ ঐতিহ্য ভৱনৰ পুনৰ নিৰ্মাণ সন্দৰ্ভত সংশ্লিষ্ট বিষয়াসকলৰ সৈতে আলোচনা কৰে। শ্ৰীসোণোৱালে এই ভৱনৰ কামসমূহ নিয়াৰিকৈ আগবঢ়াই নিয়াৰ বাবে বিষয়াসকলক বিভিন্ন দিহা-পৰামৰ্শ আগবঢ়ায়। উল্লেখযোগ্য যে কাজিৰঙাত শেহতীয়াকৈ অনুষ্ঠিত অভ্যন্তৰীণ জলপথ উন্নয়ন পৰিষদৰ দ্বিতীয়খন বৈঠকত ঘোষণা কৰা গুৰুত্বপূৰ্ণ সিদ্ধান্তসমূহৰ ভিতৰত ডিব্ৰুগড়ত ঐতিহ্য ভৱনৰ পুনৰ নিৰ্মাণৰ কথাও অন্তৰ্ভুক্ত আছিল। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে জিলাখনত ৰূপায়ণ হৈ থকা আন কেতবোৰ উন্নয়নমূলক কাম-কাজৰ অগ্ৰগতিৰো পৰ্যালোচনা কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক এই সময়ছোৱাত অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ ছৈকত পাত্ৰই সংগ দিয়ে।

০০০০০

সমাপ্ত